# ৰাজনৈতিক বাৰ্তা
# RAJNAITIK BARTA

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা প্ৰকাশিত তিনিমহীয়া সংবাদ পত্ৰিকা

**A Quarterly Published News Bulletin of Department of Political Science of L.C.B. College, Guwahati**

**1st Issue** **November, 2016**

সম্পাদনা সমিতি

**মুখ্য সম্পাদক ঃ**
অধ্যাপক ধ্ৰুৱ প্ৰসাদ বৈশ্য

**সম্পাদক ঃ**
অধ্যাপিকা ড° নমিতা শৰ্মা
অধ্যাপক দিবাকৰ দাস

**সদস্য-সদস্যা ঃ**
অধ্যাপিকা কুঞ্জলতা ব্ৰহ্ম বাথাৰি
দীপক বৰ্মন
গোবিন্দ দাস
অংকুৰ জ্যোতি শৰ্মা
ধনমণি শইকীয়া
মণিকা দাস
নাৰ্গিছ চৌধুৰী
কংকন ডেকা
ৰতন কোঁৱৰ

## ঃ ভিতৰৰ বিষয়সমূহ ঃ

অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ শুভেচ্ছাবাণী
অসমৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ শুভেচ্ছাবাণী
মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ শুভেচ্ছাবাণী
সোণোৱাল চৰকাৰ ঃ প্ৰত্যাশা আৰু বাস্তৱ
বিহংগম দৃষ্টিত সামগ্ৰী আৰু সেৱা কৰ
SAARC : An Overview
ব্ৰিকছৰ শীৰ্ষ সন্মিলন
মহাবিদ্যালয়ৰ বাতৰি
বিগত তিনিমাহৰ বিভিন্ন বা-বাতৰি

# সম্পাদকীয় .....

## এক আন্দোলনৰ বাবে আহ্বান

বৃটিছৰ কবলৰ পৰা ভাৰতবাসী মুক্ত হ'লেও অসমৰ জনগণ বিভিন্ন দাবী পূৰণৰ বাবে সময়ে সময়ে আন্দোলন কৰি আহিবলগীয়া হৈছে। তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ বাবে আন্দোলন, নিজৰ ভাষা ৰক্ষাৰ বাবে আন্দোলন, উচ্চ শিক্ষাৰ মাধ্যমৰ বাবে আন্দোলন, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ বাবে আন্দোলন, ব্ৰডগেজ ৰে'লপথ নিৰ্মাণৰ বাবে আন্দোলন, বানপানী আৰু খহনীয়া ৰোধ কৰাৰ বাবে আন্দোলন .... আন্দোলন, আন্দোলন আৰু আন্দোলন। কেৱল আন্দোলন .....। সকলো আন্দোলনৰ শীৰ্ষত, সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অবৈধ বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত ৰখা ঐতিহাসিক অসম আন্দোলন। এই প্ৰত্যেকটো আন্দোলনতে হেজাৰ হেজাৰ লোক ৰাজপথলৈ ওলাই আহিবলগীয়া হৈছিল। শত-সহস্ৰজন শ্বহীদ হৈছিল।

..... আমি মৰ্মে মৰ্মে উপলব্ধি কৰো যে, সাম্প্ৰতিক সময়ত অসমত এটি আন্দোলনৰ প্ৰয়োজন হৈছে। এই আন্দোলনৰ বাবে কোনো ধৰ্ণাৰ প্ৰয়োজন নহ'ব। নহ'ব কোনো ধ্বনিৰ প্ৰয়োজন। এই আন্দোলনৰ কাৰ্যসূচীত নেথাকিব কোনো অসম বন্ধ, পিকেটিং, পথ অৱৰোধ ....। আমি বিচৰা এই আন্দোলনত কাৰো কাম বন্ধ নহ'ব। নহ'ব কাৰো সময়ৰ ক্ষতি। এই আন্দোলনৰ বাবে প্ৰয়োজন হ'ব মাথোন হৃদয়ৰ। নিজৰ নিজৰ কামত নিয়োজিত থাকিয়েই সকলোৱে এই আন্দোলনৰ অংশীদাৰ হ'ব পাৰিব। আমি বিচৰা এই আন্দোলন হ'ব হৃদয়ৰ লগত হৃদয় মিলাই দিয়াৰ আন্দোলন। অসমত স্থায়ীভাৱে বসবাস কৰা সকলো মানুহৰ মাজত মিলনৰ সাঁকো গঢ়াৰ আন্দোলন। অসমৰ স্থায়ী বাসিন্দা প্ৰতিজন ভাৰতীয় জাতি-জনজাতি, জনগোষ্ঠী, পাহাৰ-ভৈয়ামৰ প্ৰতিজন লোক, প্ৰত্যেক ধৰ্মৰ সকলো ব্যক্তি ..... সকলোৱে মিলি সমন্বয় গঢ়াৰ এক আন্দোলনৰ বাবে আমি আন্তৰিকতাৰে আহ্বান জনাইছো।

সৰ্বানন্দ সোনোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



সত্যমেব জয়তে

দিছপুৰ
১-১০-২০১৬

## শুভেচ্ছাবাণী

কামৰূপ মহানগৰ জিলাৰ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে এখন তিনিমহীয়া 'ৰাজনৈতিক বাৰ্তা' নামৰ পত্ৰিকা প্ৰকাশৰ বাবে যো-জা চলোৱা বুলি জানিবলৈ পাই মই হৰষিত হৈছো।

ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হোৱাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান এখনৰ ভূমিকা গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনত শিক্ষানুষ্ঠানৰ পত্ৰিকা এখনে বহু সমল যোগায়। এখন ৰাজ্যৰ বিকাশৰ পৰ্যায় নিৰ্ণয়ত নতুন প্ৰজন্মৰ ভূমিকা অপৰিসীম। আধুনিক প্ৰতিযোগিতামুখী বিশ্বত ছাত্ৰ-ছাত্ৰীক আগুৱাই নিয়াৰ ক্ষেত্ৰত পত্ৰিকা এখনৰ বিভিন্ন লিখনিয়ে তেওঁলোকক উদ্‌গণি যোগায়।

আনহাতে, শিক্ষানুষ্ঠানৰ পত্ৰিকা এখনে ছাত্ৰ-ছাত্ৰীসকলক আধুনিক চিন্তা-চৰ্চা আৰু মূল্যবোধৰ শিক্ষা দিয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। পত্ৰিকা এখনে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সৃজনীশীল প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে তেওঁলোকৰ মানসিক দিগন্ত প্ৰসাৰৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা যোগায়। এনে পত্ৰিকাত শিক্ষক, শিক্ষাবিদ আৰু বিদ্যানুৰাগী ব্যক্তিসকলে বিদ্যায়তনিক দিশবোৰৰ ওপৰত আলোকপাত কৰি লিখা লেখনী সমূহে ছাত্ৰ-ছাত্ৰীক নতুন দিশৰ সন্ধানৰ বাবে আগ্ৰহী কৰি তোলে। আনহাতে তেওঁলোকৰ মতামত আৰু দিহা-পৰামৰ্শই গুণগত শিক্ষাৰ উন্নয়ন আৰু প্ৰসাৰত সহায় কৰে। ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ পত্ৰিকাখনে শিক্ষানুষ্ঠানখনৰ লগতে অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়নলৈ অৱদান আগবঢ়াব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে সাম্প্ৰতিক ঘটনা প্ৰৱাহৰ বিষয়ে তেওঁলোকক সজাগ কৰাৰ ক্ষেত্ৰত এক ইতিবাচক চিন্তাধাৰাৰ উন্মেষ ঘটাব বুলি আশা কৰিলো।

শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া 'ৰাজনৈতিক' নামৰ পত্ৰিকাখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)

**DR. HIMANTA BISWA SARMA,** MA, LLB, Ph.D
**Minister, Government of Assam**
*Finance, P&D, Health & F.W., Education, Guwahati Development Department, Tourism, Cooperation, Handloom & Textile (Khadi & Village Industry), Pension & Public Grievance*

सत्यमेव जयते

*Assam Secretariat (Block-E)*
*Dispur, Guwahati-781 006*
*Telephone No. : (0361) 2237315*
*Fax : 0361-2237012*
*email : himantab@hotmail.com*



# শুভেচ্ছাবাণী

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা 'ৰাজনৈতিক বাৰ্তা' নামৰ এখনি তিনিমহীয়া পত্ৰিকা প্ৰকাশৰ যো-জা কৰা বুলি জানি অতিকৈ আনন্দিত হৈছোঁ।

আজিৰ তীব্ৰ প্ৰতিযোগিতামূলক যুগত সমাজ তথা বিশ্বৰ সমসাময়িক ঘটনা প্ৰৱাহ সম্পৰ্কত শিক্ষাৰ্থীসকলে সম্যক জ্ঞান আহৰণ কৰাতো অতি প্ৰয়োজনীয়। ইয়ে তেওঁলোকৰ বৌদ্ধিক উত্তৰণতো প্ৰভূত সহায় কৰে। আশা ৰাখিছোঁ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ 'ৰাজনৈতিক বাৰ্তা'ই শিক্ষাৰ্থীসকলৰ এনে প্ৰয়োজন পূৰণৰ লগতে তেওঁলোকৰ সৃজনীমূলক প্ৰতিভা বিকাশতো অৰিহণা যোগাব।

পত্ৰিকাখনি প্ৰকাশৰ উদ্যোগৰ শলাগ লোৱাৰ লগতে ইয়াত প্ৰকাশিত বিভিন্ন বাৰ্তা তথা আন লিখনিসমূহ পঢ়ুৱৈসমাজৰ দ্বাৰা সমাদৃত হ'ব বুলি আশা প্ৰকাশ কৰিলো।

(ড° হিমন্ত বিশ্ব শৰ্মা)

OFFICE OF THE PRINCIPAL

**LALIT CHANDRA BHARALI COLLEGE**

MALIGAON :: GUWAHATI-781011 :: ASSAM (INDIA)

*Adison Ali,* M.Sc. Ph.D.
Principal cum Secretary




*Letter No.......................*

*Date* : ২৬-১১-২০১৬

# শুভেচ্ছা বাণী

*মই জানিবলৈ পাই সুখী হৈছোঁ যে ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে 'ৰাজনৈতিক বাৰ্তা' শীৰ্ষক এখনি তিনিমহীয়া পত্ৰিকা প্ৰকাশ কৰিবলৈ যো-জা চলাইছে। এখন বাৰ্তালোচনীয়ে এখন সমাজৰ বৌদ্ধিক দিশক উত্তৰণ কৰাই নহয়, ই সমাজখনৰ সামগ্ৰিক দিশকো প্ৰতিফলিত কৰে। ইয়াৰ আখৰা এনে ধৰণৰ আলোচনী সমূহৰ পৰাই শুভাৰম্ভ হয়। ছাত্ৰ-ছাত্ৰীসকলক এই বৌদ্ধিক কচৰতৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰিলেই সমাজৰ পৰা অশুভ শক্তিসমূহৰ বিলোপ ঘটিব। তেনে এক মহান প্ৰচেষ্টাক গতি প্ৰদানৰ বাবে ৰাজনীতি বিজ্ঞান বিভাগে যি পদক্ষেপ গ্ৰহণ কৰিছে তাক মই আদৰণি জনাইছোঁ। এই যাত্ৰা যাতে নিৰৱচ্ছিন্নভাৱে চলি থাকে, তাকে কামনা কৰিছোঁ। ৰাজনৈতিক বাৰ্তাই প্ৰকৃত মানৰ সম্পদ গঢ় দিয়াত সফল হওঁক আৰু ই সকলোৰে আদৰ্শ হৈ ৰওঁক।*

ইতি—

ড০ এডিচন আলি
*অধ্যক্ষ*


www.lcbcollege.co.in

Fax : 0361-2570645
Phone : 0361-2675259

Website : www.lcbcollege.in
E-mail : lcbcollege.csc@gmail.com

# সোণোৱাল চৰকাৰ ঃ প্ৰত্যাশা আৰু বাস্তৱ

হৃষীকেশ গোস্বামী
মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা

অসমৰ জাতীয় জীৱনৰ এক জটিল সন্ধিক্ষণত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসমত বিজেপি মিত্ৰজোঁটৰ চৰকাৰ গঠন হৈছে। অৱশ্যে এনে এক পৰিস্থিতিৰ বিপৰীতে শাসনৰ বাঘজৰী হাতত লৈয়ে চৰকাৰখনে ৰাজ্যৰ সমাজ জীৱনলৈ পৰিৱৰ্তনৰ এক শুভ বাৰ্তা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অতি কম সময়ৰ ভিতৰতে জনসাধাৰণৰ মাজত এক প্ৰত্যয় জন্মিছে যে এইখন চৰকাৰ জাতি-মাটি-ভেটি সুৰক্ষাৰ বাবে গঠিত আৰু ৰাইজৰ সৰ্বাংগীন বিকাশৰ বাবে বদ্ধপৰিকৰ এখন চৰকাৰ।

২০১৬ চনৰ ২৪ মে' তাৰিখৰ শপত গ্ৰহণ অনুষ্ঠানত ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উল্লেখ কৰিছিল যে বিজেপিৰ মিত্ৰজোঁটৰ এই চৰকাৰে (১) বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত সেউজ অসম গঢ়াৰ লক্ষ্যৰে (২) দেশৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত অসমৰ স্থান নিৰ্ণয়ৰ বাবে (৩) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ "সবকা সাথ, সবকা বিকাশ" নীতিক বাস্তবায়িত কৰাৰ বাবে আৰু (৪) অসমৰ জাতি-মাটি-ভেটি সুৰক্ষিত কৰাৰ বাবে দায়বদ্ধতা তথা দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিব। বিগত পাঁচ মাহৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে দেখা যায় যে চৰকাৰখন নিজৰ লক্ষ্য সম্পৰ্কে খুবেই সু-স্পষ্ট আৰু সেই লক্ষ্যসমূহ প্ৰাপ্তিৰ বাবে পৰিকল্পিতভাবে আগবাঢ়িছে।

বিদেশীমুক্ত অসম গঢ়াৰ প্ৰতিশ্ৰুতি সাৱোগত কৰি মুখ্যমন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়ে সৰ্বানন্দ সোণোৱালে প্ৰথম চৰকাৰী কাৰ্যসূচী হিচাপে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাৰ্যালয়ত উপস্থিত হৈ কাম-কাজ পৰ্যবেক্ষণ কৰাৰ কথাই এই বিষয়ত চৰকাৰখনৰ দায়বদ্ধতা আৰু সদিচ্ছাৰ ইংগিত দিছে। সৰ্বানন্দ সোণোৱালেই অসমৰ ইতিহাসৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী যিগৰাকীয়ে সীমান্তত নিশা কটাই স্থল আৰু জলপথেৰে সেই অঞ্চলৰ পৰিস্থিতি আৰু পৰিৱেশৰ পৰ্যবেক্ষণ কৰিছে। অসম চুক্তি ৰূপায়ণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অসমবাসীক সাংবিধানিক সুৰক্ষা প্ৰদান কৰি ভৱিষ্যৎ নিৰাপদ কৰা আৰু অস্তিত্ব সুৰক্ষা কৰিবলৈও চৰকাৰ বদ্ধপৰিকৰ। অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলক সন্মান জনাবলৈ পৰিয়ালবৰ্গক অহা ১০ ডিচেম্বৰ, ২০১৬ তাৰিখে এক ৰাজহুৱা অনুষ্ঠানৰ যোগেদি ৫ লাখকৈ টকা আগবঢ়োৱাৰ সিদ্ধান্তও চৰকাৰে হাতত লৈছে।

দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰখনে গ্ৰহণ কৰা শূন্য সহনশীলতা নীতিৰ চাক্ষুষ প্ৰমাণ ইতিমধ্যে অসমৰ ৰাইজে সংবাদ মাধ্যমৰ যোগেদি লাভ কৰিছে। মুখ্যমন্ত্ৰীৰ অধীনস্থ দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই কেইবাগৰাকীও দুৰ্নীতিত জড়িত চৰকাৰী বিষয়াক হাতে-লোটে ধৰা পেলোৱা কাৰ্যই প্ৰশাসন ব্যৱস্থাত দুৰ্নীতি বহু পৰিমাণে নিয়ন্ত্ৰিত কৰিবলৈ সক্ষম হৈছে। অসম ৰাজ্যিক লোকসেৱা আয়োগৰ সাংবিধানিক পদাধিকাৰী অধ্যক্ষগৰাকীক দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰাটো সম্ভৱ হৈছে। তাৰোপৰি দুৰ্নীতি ৰোধৰ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰৰ প্ৰথমখন কেবিনেট সভাতে সকলোবোৰ অবৈধ চেকগেট বন্ধ কৰাৰ তথা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰিৰ নিয়োগৰ ক্ষেত্ৰত মৌখিক সাক্ষাৎকাৰ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে।

প্ৰদূষণমুক্ত অসম গঢ়াৰ লক্ষ্যৰে অসম চৰকাৰে বন আৰু পৰিৱেশ বিভাগৰ অধীনত বৃক্ষৰোপণৰ সমান্তৰালভাৱে বনাঞ্চল ধ্বংস ৰোধ কৰিবলৈ দৃঢ় পদক্ষেপ হাতত লৈছে। এইখিনিতে কাজিৰঙা অভয়াৰণ্যৰ অন্তৰ্গত বান্দৰডুবি, দেওচৰ আৰু পালখোৱাত অবৈধ বেদখলৰ বিৰুদ্ধে অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত যি দৃঢ়তাৰে অভিযান চলালে সেয়া নিঃসন্দেহে প্ৰশংসাৰ যোগ্য।

অসমখন প্ৰদূষণমুক্ত, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ ভাৰত চৰকাৰৰ অভিলাষী আঁচনি স্বচ্ছ ভাৰত অভিযান ৰাজ্যখনত অধিক সবল ৰূপত ৰূপায়ণ কৰিবলৈ চৰকাৰে পদক্ষেপ হাতত লৈছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাননীয় ৰাজ্যপাল বানোৱাৰী লাল পুৰোহিতৰ সৈতে মিলিত হৈ কামাখ্যা মন্দিৰক দেশৰ ১০ খন আদৰ্শ স্থান ৰূপে গঢ় দি তুলিবলৈ স্বচ্ছতা অভিযানৰ শুভাৰম্ভ কৰি বিভিন্ন স্থানত অনুৰূপ কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু অভিযানখন অধিক জনমুখী কৰি তুলিবলৈ সক্ষম হৈছে।

সন্ত্ৰাসবাদৰ শান্তিপূৰ্ণ সমাধানৰ বাবে ৰাজ্য চৰকাৰখনে নিজৰ দায়বদ্ধতাৰ কথা ইতিমধ্যে দোহাৰিছে। অসমত সন্ত্ৰাসবাদ গঢ় লৈ উঠিছিল বিগত কেন্দ্ৰীয় চৰকাৰসমূহে অসমক উন্নয়নৰ ক্ষেত্ৰত অৱহেলা কৰি অহা অভিযোগক কেন্দ্ৰ কৰি। সেয়েহে উন্নয়নৰ মূলমন্ত্ৰত দীক্ষিত হৈ অসম চৰকাৰে সৰ্বতোপ্ৰকাৰৰ

আৰু সামগ্ৰিক উন্নয়নৰ বাবে যাত্ৰা আৰম্ভ কৰা পৰিলক্ষিত হৈছে।

ইতিমধ্যে অসম চৰকাৰে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম উন্নয়ন আঁচনি ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত চৰকাৰখনে ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাঁৱত কৃষি-অৰ্থনীতি সবল কৰিবৰ বাবে ১.২০ কোটি টকাকৈ ব্যয় কৰিব। মৎস্যপালন, দুগ্ধ উৎপাদন, জৈৱিক কৃষিকৰ্ম, ভূমি ব্যৱস্থাপনা আৰু সংৰক্ষণ, ৰেচম উদ্যোগ, খাদী আৰু গ্ৰামোদ্যোগ, গাহৰি আৰু হাঁহ-কুকুৰা পালন, ব্ৰডবেণ্ড সংযোগৰ সম্প্ৰসাৰণ, উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থাপনা, যুৱ-যোগ-ক্ৰীড়া আৰু ই-গ্ৰাম্য অভিযানক সামৰি ১২ খন উপ-অভিযান চৰকাৰে ৰূপায়ণ কৰিব।

মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰৱৰ্তী সময়ৰ বিভিন্ন সভা-সমিতিত সৰ্বানন্দ সোণোৱালে ঘোষণা কৰিছে যে অসমক দেশৰ পাঁচখন অন্যতম শ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ় দি তোলা চৰকাৰখনৰ এক প্ৰধান লক্ষ্য। এই দিশত চৰকাৰে নিজৰ কাম-কাজ ইতিমধ্যে আৰম্ভ কৰিছে। অসমৰ স্থল আৰু জল পথৰ উন্নয়ন আৰু সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে এক লাখ কোটি টকা ব্যয়ৰ বাবে বিভিন্ন আঁচনিত অনুমোদন জনাইছে। ৰাজ্য চৰকাৰৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় চৰকাৰে বঙাইগাঁও-গুৱাহাটী খণ্ডৰ এক লাইনযুক্ত ৰে'লপথ দ্বৈত ৰে'ল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অন্যহাতে লামডিং-গুৱাহাটী শাখাত দ্বৈত ৰে'লপথ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। 'ৰি-ষ্টাৰ্ট আছাম' আঁচনি আৰম্ভ কৰা হৈছে তথা দেশৰ প্ৰথম ২০ খন মহানগৰৰ ভিতৰত গুৱাহাটীত স্মাৰ্ট চিটি প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ হৈছে। অসমক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ় দি তোলাৰ কথা মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে। চৰকাৰখনে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপৰ বাবেই অসমে খাৰুৱা তেলৰ ৰয়েল্টি হিচাপে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰেহাই পূৰ্ব মূল্য ১৪৪৯ কোটি টকা লাভ কৰিছে। অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰখনলৈ আশাৰ ৰেঙণি কঢ়িয়াই শোণিতপুৰ জিলাৰ বালিপাৰাত ১৩৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলৈ আগবাঢ়িছে পতঞ্জলি মেগা ফুড আৰু হাৰ্বেল পাৰ্ক। সেইদৰে অসমৰ বিমান সেৱা ক্ষেত্ৰখনৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে অসম চৰকাৰে কেন্দ্ৰীয় অসামৰিক বিমান সেৱা মন্ত্ৰণালয়ৰ সৈতে ইতিমধ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। অসমৰ পৰা দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ বিমান সেৱা প্ৰৱৰ্তন এই চুক্তিৰ আন এক গুৰুত্বপূৰ্ণ দফা।সেইদৰে ৰাজ্যখনৰ উঠি অহা যুৱ চামে যাতে অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ সু-ব্যৱহাৰ কৰি কৰ্ম-সংস্থাপনৰ বাটত আগুৱাই যাব পাৰে তথা স্বাৱলম্বীতাৰ নতুন পথ মুকলি কৰিব পাৰে সেই লক্ষ্যৰে চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত আৰম্ভ কৰা ডিজিটেল লিটাৰেছি কাৰ্যসূচীয়ে অনাগত দিনবোৰত ৰাজ্যখনৰ উন্নয়নত ইতিবাচক প্ৰভাৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ঘোষণা কৰা 'সবকা সাথ, সবকা বিকাশ' নীতি ৰূপায়ণৰ বাবে অসম চৰকাৰে দায়বদ্ধতাৰে আগবাঢ়িছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ ৩.২০ কোটি জনসাধাৰণক আস্থাত লৈ চৰকাৰখনে কাম কৰিব। অসমৰ ভূমিপুত্ৰসকলৰ স্বাৰ্থ যাতে কোনো কাৰণতে বিঘ্নিত হ'ব নোৱাৰে তাৰ বাবে খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ভাষা, কৃষ্টি, সংস্কৃতিৰ সংৰক্ষণ তথা সাংবিধানিক ৰক্ষা কবচ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰখনে নিজৰ সদিচ্ছাৰ কথা বাৰে বাৰে দোহাৰিছে। ৰাজ্যখনৰ সকলো স্তৰৰ জনসাধাৰণৰ সম বিকাশৰ বাবে চৰকাৰখন আগবঢ়া পৰিলক্ষিত হৈছে।

জাতি-মাটি-ভেটি সুৰক্ষিত কৰিবৰ বাবে বদ্ধপৰিকৰ চৰকাৰখনে বিগত পাঁচ মাহৰ ভিতৰতে খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত হোৱাকৈ নতুন ভূমি আইন প্ৰস্তুত কৰা আৰু ৰাজ্যখনৰ ভূমিৰ ব্যৱহাৰ তথা সাম্প্ৰতিক অৱস্থিতি সম্বন্ধে তথ্য লাভ কৰিবলৈ ভূমি বেংক গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। চৰকাৰখনে বানপানী-গৰাখহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে বিশেষজ্ঞ সমিতি আৰু মথাউৰি সুৰক্ষা সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বানপানীত গৃহহীন হোৱা লোকলৈ ৩ বিঘাকৈ ভূমি প্ৰদানৰ ব্যৱস্থাও চৰকাৰে হাতত লৈছে। চৰকাৰে সত্ৰসমূহৰ ভূমি বেদখলৰ বিৰুদ্ধে আৰু ট্ৰাইবেল বেল্টৰ ভূমি বেদখলৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সীমামূৰীয়া ৰাজ্যৰ জনসাধাৰণৰ সৈতে ভাতৃত্ববোধ বৃদ্ধি কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰী টি. আৰ. জেলিয়াঙৰ মাজত কাজিৰঙাত অনুষ্ঠিত বৈঠকো থলুৱাৰ ভূমি অধিকাৰ সুদৃঢ় কৰাৰ ক্ষেত্ৰত আন এক উল্লেখযোগ্য পদক্ষেপ। জুলাই মাহত বিধান সভাৰ অধিবেশন চলি থকাৰ মাজতে ৰাজ্যখন সংহাৰী বানৰ কবলত পৰে আৰু তেনে সময়ত বিধান সভাৰ আলোচনা সামৰি সকলো বিধায়ক আৰু মন্ত্ৰীয়ে যাতে দুৰ্দশাগ্ৰস্ত ৰাইজৰ কাষত থিয় দিব পাৰে তাৰ বাবে বিধানসভাৰ অধিৱেশন তৎকালে বাতিল কৰা হয়।

শিক্ষাখণ্ডৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়সমূহত বিগত পাঁচ মাহত চৰকাৰে ৭২১০ গৰাকী টেট্ উত্তীৰ্ণ শিক্ষক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত ১০৩ গৰাকী বিষয় শিক্ষকক নিযুক্তি প্ৰদান কৰিছে। সেইদৰে ৰাজ্যৰ ৫ স্থানত অসম মাধ্যমিক শিক্ষা পৰিষদৰ

# বিহংগম দৃষ্টিত সামগ্ৰী আৰু সেৱা কৰ

ধ্ৰুৱ প্ৰসাদ বৈশ্য
বিভাগীয় মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ

প্ৰত্যক্ষ কৰৰ গাঠনি, আৰোপ, সংগ্ৰহ আৰু বিতৰণৰ ক্ষেত্ৰত সূচল কৰাৰ বাবে এক জি. এচ. টি. (সামগ্ৰী আৰু সেৱা কৰ)ৰ ব্যৱস্থা কৰা হৈছে। এই উদ্দেশ্যে ইতিমধ্যে দেশৰ সংবিধানৰ সংশোধন কৰা হৈছে। এই সংশোধনী বিধেয়ক ৩ আগষ্ট, ২০১৬ আৰু ৮ আগষ্ট, ২০১৬ ইং তাৰিখে ক্ৰমে ৰাজ্যসভা আৰু লোকসভাত গৃহীত হয়। ইয়াৰ পিছত ৰাজ্যসমূহৰ বিধান মণ্ডলৰ অনুমোদন লাভ কৰাৰ পিছত এই বিধেয়কখন ৰাষ্ট্ৰপতি মহোদয়ে স্বাক্ষৰ দান কৰাত ভাৰতত সামগ্ৰী আৰু সেৱা কৰ আইন প্ৰণয়ন হয়। ইয়াৰ ফলত সমগ্ৰ দেশতে পৰোক্ষ কৰৰ গাঠনি, সংগ্ৰহ-বিতৰণ একে ধৰণৰ হ'ব।

এই আইনৰ দ্বাৰা ৰাজ্য আৰু কেন্দ্ৰৰ অধীনৰ কেতবোৰ কৰ সামগ্ৰী আৰু সেৱা কৰৰ অন্তৰ্ভুক্ত হ'ব।

সামগ্ৰী আৰু সেৱা কৰৰ অন্তৰ্ভুক্ত হ'বলগীয়া ৰাজ্যিক কৰ সমূহ হ'ল —

ক) মূল্য সংযোজন কৰ, খ) আমোদ কৰ, গ) চুঙ্গী (Octroi) আৰু প্ৰৱেশ কৰ, ঘ) ক্ৰয় কৰ, ঙ) বিলাস কৰ, চ) লটাৰী আদিৰ কৰ।

সামগ্ৰী আৰু সেৱা কৰৰ অন্তৰ্ভুক্ত হ'বলগীয়া কেন্দ্ৰৰ কৰ সমূহ হ'ল —

ক) কেন্দ্ৰীয় আবকাৰী শুল্ক, খ) অতিৰিক্ত আবকাৰী শুল্ক, গ) সেৱা কৰ, ঘ) বিশেষ অতিৰিক্ত আবকাৰী শুল্ক।

এই কৰ ব্যৱস্থা যাতে সফল ৰূপায়ণ হয় তাৰ বাবে এখন সামগ্ৰী আৰু সেৱা কৰ পৰিষদ গঠন হয়। এই পৰিষদ খন তলত দিয়া ধৰণে হ'ব —

| | |
|---|---|
| ক) কেন্দ্ৰীয় বিত্তমন্ত্ৰী | অধ্যক্ষ |
| খ) কেন্দ্ৰীয় ৰাজ্যিক বিত্তমন্ত্ৰী (ৰাজহ আৰু বিত্ত) | সদস্য |
| গ) বিত্ত বা কৰৰ দায়িত্বত থকা ৰাজ্যৰ মনোনীত বিশেষ মন্ত্ৰী | সদস্য |

এই সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা এজন উপাধ্যক্ষ বাছি ল'ব পাৰিব।

সংবিধান সংশোধনত ৰাজ্যৰ অনুমোদন ঃ সামগ্ৰী আৰু সেৱা কৰ আইনৰ বাবে আমাৰ দেশৰ সংবিধানৰ সংশোধনৰ প্ৰয়োজন হৈছিল। ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচীৰ বিষয়ত সংশোধনৰ বাবে সংসদৰ দুই-তৃতীয়াংশ সদস্যৰ সমৰ্থনৰ উপৰিও মুঠ ৰাজ্যৰ অৰ্ধেক সংখ্যকৰ অনুমোদনৰ প্ৰয়োজন হৈছিল। অসম বিধান সভাই সমগ্ৰ দেশৰ ভিতৰতে পোন প্ৰথমে এই সংশোধনৰ প্ৰতি অনুমোদন জনায়।

এই সংবিধান সংশোধনৰ প্ৰতি অনুমোদন জনোৱা ৰাজ্যসমূহ হ'ল ঃ

১) অসম (১২-০৮-২০১৬), ২) বিহাৰ (১৬-০৮-২০১৬), ৩) ঝাৰখণ্ড (১৭-০৮-২০১৬), ৪) হিমাচল প্ৰদেশ (২২-০৮-২০১৬), ৫) ছত্তীসগড় (২২-০৮-২০১৬), ৬) গুজৰাট (২৩-০৮-২০১৬), ৭) মধ্যপ্ৰদেশ (২৪-০৮-২০১৬), ৮) দিল্লী (২৪-০৮-২০১৬), ৯) নগালেণ্ড (২৬-০৮-২০১৬), ১০) মহাৰাষ্ট্ৰ (২৯-০৮-২০১৬), ১১) হাৰিয়ানা (২৯-০৮-২০১৬), ১২) টেলেঙ্গানা (৩০-০৮-২০১৬), ১৩) চিকিম (৩০-০৮-২০১৬), ১৪) মিজোৰাম (৩০-০৮-২০১৬), ১৫) গোৱা (৩১-০৮-২০১৬), ১৬) ওড়িছা (০১-০৯-২০১৬), ১৭) পাডোচেৰি (০২-০৯-২০১৬), ১৮) ৰাজস্থান (০২-০৯-২০১৬), ১৯) অন্ধ্ৰপ্ৰদেশ (০৮-০৯-২০১৬), ২০) অৰুণাচল প্ৰদেশ (০৮-০৯-২০১৬), ২১) মেঘালয় (০৯-০৯-২০১৬), ২২) পঞ্জাব (১২-০৯-২০১৬), ২৩) ত্ৰিপুৰা (২৬-০৯-২০১৬)।

সংশোধনৰ প্ৰতি অনুমোদন নজনোৱা ৰাজ্য ঃ

তলত উল্লেখ কৰা ৰাজ্যসমূহে এই সংশোধনৰ প্ৰতি অনুমোদন নজনালে —

১) জম্মু কাশ্মীৰ, ২) কৰ্ণাটক, ৩) কেৰালা, ৪) মণিপুৰ, ৫) তামিল নাডু, ৬) উত্তৰ প্ৰদেশ, ৭) উত্তৰাখণ্ড, ৮) পশ্চিমবঙ্গ।

# SOUTH ASIAN ASSOCIATION FOR REGIONAL CO-OPERATION (SAARC): AN OVERVIEW

**Dibakar Das**
Assistant Professor, Department of Political Science

**Introduction :** The South Asian Association for Regional Cooperation (SAARC) was formed under Article 52 of the United Nations' Charter. At present, the region represents eight countries namely India, Pakistan, Maldives, Sri Lanka, Bangladesh, Bhutan, Nepal and Afghanistan. The basic objective of SAARC is to promote the welfare of the peoples of South Asia and to improve their quality of life. SAARC is a regional inter-governmental organization and a geopolitical union in South Asia. It promotes the development of economic and regional integration. At present there are nine observer states of SAARC, i.e., Australia, China, European Union, Japan, Iran, Mauritius, Myanmar, South Korea, and United States.

The main objectives of the SAARC are as follows:

1. To promote the welfare of the peoples of South Asia and to improve their quality of life;
2. To accelerate economic growth, social progress and cultural development in the region by providing all individuals the opportunities to live in dignity and to realise their full potential;
3. To promote and strengthen collective self reliance among the countries of South Asia;
4. To contribute to mutual trust; understanding and appreciation of one another problems;
5. To promote active collaboration and mutual assistance in the economic, social, cultural, technical and scientific fields;
6. To strengthen cooperation with other developing countries;
7. To strengthen cooperation among themselves in international forms on matters of common interest; and
8. To co-operate with international and regional organisations with similar aims and purposes.

**History of SAARC :** The idea for the SAARC was proposed by Ziaur Rahman, the then President of Bangladesh on May 2, 1980. The seven founding countries (India, Pakistan, Maldives, Sri Lanka, Bangladesh, Bhutan and Nepal) had met for first time in April 1981 and then for second time in 1985 creating SAARC Charter. The first SAARC summit was held in Dhaka (Bangladesh) in December 1985. The SAARC Secretariat was established at Kathmandu (Nepal) and it was inaugurated by the then King Birendra Bir Bikram Shah Dev of Nepal in the presence of the Foreign Ministers of SAARC countries on 16th January 1987.

**SAARC Summits :**

| No | Date | Host Country | Host leader |
|---|---|---|---|
| 1st Summit | 7–8 December 1985 | Bangladesh (Dhaka) | Ataur Rahman Khan |
| 2nd Summit | 16–17 November 1986 | India (Bengaluru) | Rajiv Gandhi |
| 3rd Summit | 2–4 November 1987 | Nepal (Kathmandu) | Marich Man Singh Shrestha |
| 4th Summit | 29–31 December 1988 | Pakistan (Islamabad) | Benazir Bhutto |
| 5th Summit | 21–23 November 1990 | Maldives (Malé) | Maumoon Abdul Gayoom |
| 6th Summit | 21 December 1991 | Sri Lanka (Colombo) | Ranasinghe Premadasa |
| 7th Summit | 10–11 April 1993 | Bangladesh (Dhaka) | Khaleda Zia |
| 8th Summit | 2–4 May 1995 | India (New Delhi) | P V Narasimha Rao |

| | | | |
|---|---|---|---|
| 9th Summit | 12–14 May 1997 | Maldives (Malé) | Maumoon Abdul Gayoom |
| 10th Summit | 29–31 July 1998 | Sri Lanka (Colombo) | Chandrika Kumaratunga |
| 11th Summit | 4–6 January 2002 | Nepal (Kathmandu) | Sher Bahadur Deuba |
| 12th Summit | 2–6 January 2004 | Pakistan (Islamabad) | Zafarullah Khan Jamali |
| 13th Summit | 12–13 November 2005 | Bangladesh (Dhaka) | Khaleda Zia |
| 14th Summit | 3–4 April 2007 | India (New Delhi) | Manmohan Singh |
| 15th Summit | 1–3 August 2008 | Sri Lanka (Colombo) | Mahinda Rajapaksa |
| 16th Summit | 28–29 April 2010 | Bhutan (Thimphu) | Jigme Thinley |
| 17th Summit | 10–11 November 2011 | Maldives (Addu) | Mohammed Nasheed |
| 18th Summit | 26–27 November 2014 | Nepal (Kathmandu) | Sushil Koirala |

**Present Scenario :** Pakistan scheduled to host the 19th Summit of SAARC in Islamabad on 9th and 10th November 2016. India decided not to participate in the 19th South Asian Association for Regional Cooperation (SAARC) summit in Islamabad (Pakistan) to be held in November 2016. This decision was taken in view of the continuous cross border terrorist activities by Pakistan which has created non-conducive environment to successful holding of Summit. Further Afghanistan, Bangladesh, Bhutan and Sri Lanka also have conveyed their message of boycotting the Summit. India's decision came in the wake of recent terrorist attack in Uri town of Jammu and Kashmir in which 18 soldiers were martyred. It was reported as the deadliest attack on security forces in Kashmir in two decades. Pakistan based terrorist organization Jaish-e-Mohammad (JeM) has been blamed for this attack. Like India that cited "cross-border terrorist attacks in the region" as a reason for boycotting the summit, Bangladesh, Bhutan and Afghanistan too expressed concern about the same issue in their official notes to Kathmandu.

Pakistan has postponed the 19th SAARC Summit after India and four other countries announced to boycott the Summit. Besides, it was also announced that new set of dates for holding the summit at Islamabad will be announced soon by Nepal, the Chair of SAARC.

**Ending Remarks :** From the above discussion, it has been found that though South Asian Association for Regional Co-operation (SAARC) is beneficial and desirable for South Asian countries, but in contemporary era, some serious challenges are faced by the member countries of SAARC which are, no doubt, not allowing South Asian cooperation to develop. There are always high risks that any time the efforts for cooperation can suffer due to communal and terrorist threats. Moreover, the weak financial position of the member countries has also created an uncertain future for this organization. In addition, lack of trust among the member countries is also recognised as a hurdle in the path of co-operative relationship among member countries of SAARC. Although what has been done in the past shows that SAARC can hope to achieve some success in the future. The SAARC can be meaningful only when each nation of South Asian Region is to go along with all their problems to solve more effectively and with greater speed.

**References :**

1. Charter of the United Nations. "Regional Arrangements," Published by the United Nations, (December, 2006).
2. Chander, Prakash &Arora, Prem. International Relation. Delhi: Cosmos Bookhive, 2013.
3. Kumar, Mahendra. Theoretical aspects of International Politics. Agra; Shiva Lal Agarwala, 1967.
4. Sabur, A.K. Regional Cooperation in South Asia: Problems of Conflict Management. Lahore: Afroze Publications, 2004.
5. Weerakoon, D., & Sayawriya, S. "Economic Integration in SAARC with Special Reference to the Role of FDI in Regional Integration", Conference Paper, Dhaka: Bangladesh Institute of International and Strategic Studies (BIISS), 10-19, 2002.
6. http://indianexpress.com/article/india/india-news-india/after-india-now-bangladesh-pulls-out-of-saarc-summit-in-islamabad/ accessed on 1/11/2016.
7. http://www.ndtv.com/india-news/after-india-bangladesh-opts-out-of-saarc-summit-in-pakistan-sources-1467361 accessed on 1/11/2016.
8. http://www.thehindu.com/news/international/after-india-bangladesh-bhutan-pull-out-of-saarc-summit/article9157600.ece accessed on 1/11/2016.
9. http://indiatoday.intoday.in/story/saarc-bangladesh-india-pulls-out-pakistan-terrorism-islamabad/1/774981.html accessed on 1/11/2016.

# ব্ৰিকছৰ শীৰ্ষ সন্মিলন

ড° নমিতা শৰ্মা
সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাক লৈ গঠিত ব্ৰিকছ নামৰ আন্তঃৰাষ্ট্ৰীয় সংগঠনটো বৰ্তমানে শক্তিশালী আৰু প্ৰভাৱশালী হৈ পৰিছে। বৰ্তমানে এই পাঁচখন দেশেই বিশ্বত প্ৰভাৱশালী হৈ উঠিছে। শীতল যুদ্ধৰ পিছত বিশ্বত আমেৰিকা যুক্তৰাজ্য সৰ্ব্বশক্তিমান হৈ পৰিছে। ইয়াৰ নেতৃত্বাধীন 'ন্যাটো' (NATO) নামৰ সামৰিক সংগঠন একমাত্ৰ মহাশক্তি বা চুপাৰ পাৱাৰ হৈ পৰিল। সমাজবাদী ৰাছিয়া যেতিয়ালৈকে থানবান হৈ পৰা নাছিল তেতিয়ালৈকে আমেৰিকা যুক্তৰাষ্ট্ৰ আন্তঃৰাজ্যিক ক্ষেত্ৰখনত একচত্ৰি আসন লাভ কৰিব পৰা নাছিল। বৰ্তমান গোষ্ঠী নিৰপেক্ষ ৰাষ্ট্ৰবিলাকৰ সংগঠন 'নাম' (NAM)ৰ ভূমিকা লাহে লাহে কমি আহিছে। এনে সময়ত চীন আৰু ৰাছিয়াৰ নেতৃত্বত পাঁচ ৰাষ্ট্ৰগোষ্ঠীৰ দ্বাৰা ব্ৰিকছৰ জন্ম, ইয়াৰ ভূমিকা আৰু প্ৰভাৱ লক্ষ্যণীয়।

ভাৰত, চীন আৰু ৰাছিয়া আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ক্ৰমান্বয়ে শক্তিশালী হৈ উঠিছে। গোৱাত অনুষ্ঠিত ব্ৰিকছ শীৰ্ষ সন্মিলনত ভাৰতে সন্ত্ৰাসবাদ তথা সন্ত্ৰাসবাদী সংগঠন আৰু সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিয়া ৰাষ্ট্ৰৰ বিৰুদ্ধে সকলোকে একত্ৰিত হ'বলৈ আহ্বান জনোৱাই নহয়, ই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ এই প্ৰস্তাৱৰ প্ৰতি ৰাছিয়া, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা আদি দেশে সমৰ্থন জনোৱাটো প্ৰায় নিশ্চিত হৈছে। ৰাছিয়াই ভাৰতৰ সৈতে লগ হৈ সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ বদ্ধপৰিকৰ হৈছে। লগতে ৰাছিয়াই সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ কঠোৰ পদক্ষেপ ল'বলৈ সাজু হৈছে। ভাৰত-পাকিস্তানৰ সম্পৰ্ক অৱনতি ঘটাৰ সময়ত ভাৰতে ৰাছিয়াৰ সহযোগিতা বিচাৰিছে সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে।

পাকিস্তানী সন্ত্ৰাসবাদীয়ে ভাৰতৰ উৰিৰ সেনাৰ ছাউনী আক্ৰমণ কৰি ১৮ জন সৈন্য হত্যা কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতীয় জোৱানে পাকিস্তানৰ সীমা অতিক্ৰম কৰি অতৰ্কিতে সন্ত্ৰাসবাদী সকলৰ সাতোটা শিবিৰ ধ্বংস কৰিলে। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত এঘৰীয়া হৈ পৰা পাকিস্তানে কিন্তু পৰমাণু বোমাৰে ভাবুকি দি নিজৰ প্ৰতিপত্তি সাব্যস্ত কৰিবলৈ চেষ্টা চলাইছে। ভাৰতে কিন্তু বিশ্বৰ আগশাৰীৰ দেশ আমেৰিকা, ৰাছিয়া, ইংলেণ্ড আদিৰ সমৰ্থন লাভ কৰাৰ উপৰিও ৰাষ্ট্ৰসংঘৰ সমৰ্থন লাভ কৰিছে।

আনহাতে, আমেৰিকাই পাকিস্তানক সন্ত্ৰাসবাদক প্ৰশ্ৰয় নিদিবলৈ সকীয়াই দিছে। ব্ৰিকছ শীৰ্ষ সন্মিলনৰ সময়তে ভাৰতে ৰাছিয়া আৰু চীনৰ সৈতে কেবাখন গুৰুত্বপূৰ্ণ চুক্তি সম্পাদন কৰিছে। ভাৰতে ৰাছিয়াৰ পৰা এছ-৮০০ মিছাইল ক্ৰয় কৰিবলৈ কৰা চুক্তিয়ে ভাৰতৰ সামৰিক শক্তি যথেষ্ট পৰিমাণে বৃদ্ধি কৰিছে। তাৰোপৰি ৰাছিয়াই ভাৰতক অত্যাধুনিক যুদ্ধ জাহাজ আৰু যুঁজাৰু হেলিকপ্টাৰ যোগান ধৰিব। এইবোৰৰ সৰ্বমুঠ ব্যয় হ'ব ৭২,০০০ কৌটি টকা। এই সামৰিক চুক্তিয়ে ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাটো নিশ্চিতভাৱে শক্তিশালী কৰিব। চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙে ভাৰতৰ সৈতে বাণিজ্যিক চুক্তি কৰিবলৈ যিমান আগ্ৰহী সিমানখিনি আগ্ৰহী নহয় সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ ক্ষেত্ৰত। চীনে জীচ-ই-মহম্মদৰ মুৰব্বী মাছুদ আজাহাৰক ৰাষ্ট্ৰসংঘই নিষিদ্ধ কৰাৰ পিছত চীনৰ স্থিতি বৰ্তমান সময়ক স্পষ্ট হৈ পৰিছে। চীনে পাকিস্তানৰ স্বাৰ্থতে ভাৰতক পৰমাণু যোগানকাৰী গোষ্ঠী এন এছ জিৰ সদস্যভুক্ত হোৱাত বাধা প্ৰদান কৰিছে। ভাৰতে চীনৰ সৈতে থকা মতপাৰ্থক্য কিছু পৰিমাণে হ'লেও দূৰ কৰাৰ চেষ্টা চলাইছে ব্ৰিকছ শীষ সন্মিলনত। ভাৰতে পাকিস্তানৰ সন্ত্ৰাসবাদী নীতি উদঙাই দিবলৈ সক্ষম হৈছে বিশ্বৰ আগত।

## ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসম বিধান সভালৈ শিক্ষামূলক ভ্ৰমণ

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰধান অধ্যাপকৰ প্ৰচেষ্টাত ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে আগষ্ট মাহৰ ১২ তাৰিখে অসম বিধান সভা পৰিদৰ্শন কৰাৰ সুযোগ লাভ কৰে। ছাত্ৰ-ছাত্ৰীসকলে বিধান সভাত বিভিন্ন কাম-কাজসমূহ কেনেদৰে সম্পাদন কৰা হয় তাৰ বিষয়ে এটা সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হয়। ৰাজনীতি বিজ্ঞান বিভাগৰ এই প্ৰচেষ্টাক বিধান সভাৰ মাননীয় অধ্যক্ষ ৰঞ্জিত দাস ডাঙৰীয়া

College Library

আৰু অসমৰ মাননীয় শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শলাগ লয়। আৰু ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৰ্ষ সাধন হ'ব বুলি আশা প্ৰকাশ কৰে।

